পঢ় - ই ঃ ব্যাকৰণ পঢ়ি পঢ়ি আমনি লাগিছে।
শুন - ই ঃ ল'ৰাটো সাধু শুনি শুনি টোপনি গ'ল।
ৰ- ই ঃ সি তোমাৰ বাবে বৈ আছে।

এই বাক্যবোৰত ক্ৰিয়াপদৰ সৈতে যোগ হোৱা-ই প্ৰাকৃতিটো অসমাপিকা ক্ৰিয়া পদ সাধনৰ প্ৰাকৃতি। ইয়াৰ প্ৰয়োগ অবিহনে উল্লিখিত বাক্যবোৰ গ্ৰহণীয়ৰূপে বিবেচিত নহয়। সেই বাবে এই প্ৰাকৃতিটোৱে প্ৰকাশ কৰা গাঁথনিক অৰ্থ — অসমাপিকা ক্ৰিয়াক ব্যাকৰণগত বিষয় হিচাপে গণ্য কৰিব পাৰি। উল্লেখযোগ্য যে এই বিভক্তিটোৰ বাহিৰে আন কোনো ৰূপে অসমাপিকা ক্ৰিয়াপদ সাধিব নোৱাৰে। বাক্যত ব্যৱহৃত খাওঁতে, খালে, খালত, খাবৰ, খাবলৈ আদি ক্ৰিয়াপদ অসমাপিকা যেন বোধ হ'লেও, প্ৰকৃত বিচাৰত এইবোৰ ধাতুৰ পৰা প্ৰত্যয়ৰ সংযোগত সাধিত কৃদন্ত পদহে।

অসমাপিকা ক্ৰিয়াত পুৰুষৰ বিভক্তি লগ নালাগে। তদুপৰি এই ক্ৰিয়াপদে বাক্যও শেষ কৰিব নোৱাৰে। কিন্তু, কোনো কাৰ্য সমাপ্ত হোৱা নাইবা চলি থকা বুজাব পাৰে ঃ যেনে—

সিহঁত ভাত খাই স্কুললৈ গ'ল।

এই বাক্যটোত 'ভাত খাই', অৰ্থাৎ ভাত খোৱা কাৰ্য শেষ কৰিহে সিহঁত স্কুললৈ যোৱা বুজাইছে। আনহাতে,

সি পঢ়ি আছে।
ল'ৰাটোৱে খেলি আছে।
ছোৱালীজনীয়ে গান গাই আছে।

আদি বাক্যত প্ৰয়োগ হোৱা পঢ়ি, খেলি, গাই, অসমাপিকা ক্ৰিয়াপদে কাৰ্য চলি থকা বুজাইছে, শেষ হোৱা বুজোৱা নাই। এতেকে, দেখা যায় অসমাপিকা ক্ৰিয়াই অৰ্থগতভাৱে কাৰ্য শেষ কৰা নাইবা চলি থকা বুজাব পাৰে, কিন্তু কাৰ্যগতভাৱে ই কেতিয়াও বাক্য শেষ কৰা বুজাব নোৱাৰে [গোস্বামী (২) ২০০০ ঃ ২৯৬]।

অসমীয়া ভাষাত অসমাপিকা ক্ৰিয়াপদৰ ব্যৱহাৰ নিম্নোক্ত ধৰণে হোৱা দেখা যায় ঃ

(ক) একেটা বাক্যত ভিন ভিন অসমাপিকা ক্ৰিয়াপদৰ ব্যৱহাৰ হ'ব পাৰে। যেনে—
তেওঁ ঘৰলৈ আহি কাগজ-পত্ৰখিনি ভালদৰে থৈ চাহ একাপ খাই ল'ৰাটোক মাত লগাই পুনৰ ওলাই গ'ল।

এই বাক্যটোত আহি, থৈ, খাই, লগাই, ওলাই — এই পাঁচটা অসমাপিকা ক্ৰিয়াপদ ব্যৱহাৰ কৰা হৈছে। সাধাৰণতে বক্তব্য বিষয় সংক্ষেপ কৰিবলৈ আৰু শ্ৰুতিমধুৰ কৰিবলৈ এনেদৰে কেইবাটাও অসমাপিকা ক্ৰিয়া ব্যৱহাৰ কৰা হয়। আচলতে উল্লিখিত উদাহৰণটোত তেওঁ ঘৰলৈ আহিল। কাগজ-পত্ৰখিনি ভালদৰে থ'লে। ল'ৰাটোক মাত লগালে।

(তাৰ পিছত) পুনৰ ওলাই গ'ল।— এই পাঁচটা বাক্য অসমাপিকা ক্ৰিয়াৰ সহায়ত লগ লগোৱা হৈছে।

(খ) কেতিয়াবা আকৌ একেটা অসমাপিকা ক্ৰিয়াকে একাধিকবাৰ ব্যৱহাৰ কৰা হয় ঃ যেনে—

ৰাজকোঁৱৰ গৈ গৈ গৈ গৈ পাতালপুৰী পালেগৈ।

-এই বাক্যটোত গৈ ক্ৰিয়াপদটো চাৰিবাৰ ব্যৱহাৰ হৈছে।

অসমীয়া ভাষাৰ অসমাপিকা ক্ৰিয়াৰ বিশেষ বৈশিষ্ট্যকেইটা হ'ল ঃ ই সদায় এটা সমাপিকা ক্ৰিয়াৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক ৰাখে। দ্বিতীয়তে ই কাল নিৰপেক্ষ; অৰ্থাৎ তিনিওটা কালতে ই কাৰ্য চলি থকা নাইবা শেষ হোৱা বুজাব পাৰে। লগত থকা সমাপিকা ক্ৰিয়াটোৱেহে ইয়াৰ কালৰ ইঙ্গিত দিয়ে। তৃতীয়তে, ই পুৰুষ নিৰপেক্ষ; অৰ্থাৎ সকলো পুৰুষতে ইয়াৰ একেই ৰূপ। মই খাই আছোঁ, তই খাই আছ, তুমি খাই আছা, সি খাই আছে আদি বাক্যত কৰ্তাৰ পুৰুষ সলনি হৈছে; কিন্তু খাই অসমাপিকা ক্ৰিয়াৰ কোনো পৰিৱৰ্তন ঘটা নাই। অৱশ্যে সমাপিকা ক্ৰিয়াপদটোত স্বাভাৱিক নিয়ম মতেই পুৰুষবাচক ক্ৰিয়া-বিভক্তি যোগ হৈছে। চতুৰ্থতে, অসমাপিকা ক্ৰিয়া সকৰ্মক হ'লেও ইয়াৰ কৰ্তাপদত সাধাৰণতে কৰ্তা কাৰকৰ বিভক্তি যোগ নহয়। পঞ্চমতে, ই কৃদন্ত পদ হিচাপেও প্ৰয়োগ হ'ব পাৰে। ইয়াৰ সৈতে কাৰক-বিভক্তি যোগ নহ'লেও সকলো কাৰকৰ সৈতে ই পোনপটীয়া সম্পৰ্ক দেখুৱাব পাৰে।

ওপৰত অসমাপিকা ক্ৰিয়াৰ যি আলোচনা দাঙি ধৰা হ'ল, তাৰ পৰা এটা কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে অসমীয়া বাক্য-গাঁথনিত অসমাপিকা ক্ৰিয়া সাধনৰ একমাত্ৰ ই প্ৰাকৃতি — ই আৰু অপৰিহাৰ্যৰূপে প্ৰয়োগ হয়। সেই হেতুকে অসমাপিকা ক্ৰিয়া অসমীয়া ভাষাৰ এক ব্যাকৰণগত বিষয়।

২.৪ কৰ্মবাচ্য (সীমিত প্ৰয়োগ)

অসমীয়া ভাষাত সাধাৰণতে হ বা যা ধাতুৰ সহায়েৰে কৰ্মবাচ্য গঠন কৰা হয় ঃ যেনে —

হ ধাতুৰ সহায়ত ঃ কথাটো কোৱা হ'ল।
কামটো কৰা হৈছিল।

যা ধাতুৰ সহায়ত ঃ পঢ়া-শুনা কৰিলে পৰীক্ষাত ভাল ফল পোৱা যায়।
সময়ত দেখা যাব।ইত্যাদি।

এনে প্ৰয়োগত কৰ্মবাচ্যৰ গঠনত ৰূপাত্মক সৰ্গ, অৰ্থাৎ বিভক্তিৰ সংযোগ হোৱা দেখা নাযায়। গতিকে এইবোৰক ব্যাকৰণগত প্ৰয়োগ বুলিব নোৱাৰি। কিন্তু, সীমিত সংখ্যক কেইটামান ধাতুত ৰূপাত্মক সৰ্গৰ ব্যৱহাৰ হোৱা লক্ষ্য কৰিব পাৰি। কৰ্মবাচ্যৰ এইবিধ গঠনক ব্যাকৰণগত বিষয়ৰ মৰ্যাদা দিব পাৰি। কৰ্মবাচ্যৰ ৰূপ হোৱা ধাতুকেইটামান